জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ২৮৯/২০২২**

**ৰাষ্ট্ৰীয় ক্ৰীড়াৰ কিট্ উন্মোচন আৰু খেলুৱৈসকলক শুভেচ্ছা জ্ঞাপনৰ বাবে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ**

# ৰাষ্ট্ৰীয় ক্ৰীড়াত পদক বিজয়ী খেলুৱৈক চাকৰি প্ৰদান কৰিব অসম চৰকাৰে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৩ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কয় যে 'ৰাষ্ট্ৰীয় ক্ৰীড়া-২০২২'ত পদক বিজয়ী সকলো খেলুৱৈকে ৰাজ্য চৰকাৰে চাকৰি প্ৰদান কৰিব। শিক্ষাগত অৰ্হতাৰ ভিত্তিত পদক বিজয়ী খেলুৱৈসকলক ৰাজ্য চৰকাৰৰ বিভিন্ন পদত মকৰল কৰিব বুলি তেওঁ কয়।

গুজৰাটত অনুষ্ঠিত হ'বলগীয়া '৩৬সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া-২০২২'ত অংশগ্ৰহণকাৰী অসম দলৰ বাবে আনুষ্ঠানিকভাৱে কিট উন্মোচন তথা শুভেচ্ছা জ্ঞাপনৰ উদ্দেশ্যে গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামত আয়োজিত সভাত কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ দপ্তৰৰ মন্ত্ৰী তথা অসম অলিম্পিক সন্থাৰ সভাপতি সৰ্বানন্দ সোণোৱালৰ উপস্থিতিত আজি মুখ্যমন্ত্ৰী ড° শৰ্মাই এইদৰে ঘোষণা কৰে।

এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাষ্ট্ৰীয় ক্ৰীড়া এক গুৰুত্বপূৰ্ণ প্ৰতিযোগিতা। এই ক্ৰীড়া প্ৰতিযোগিতাই অকল ব্যক্তিগত কৃতিত্ব অৰ্জনৰেই সুযোগ প্ৰদান নকৰে, ৰাজ্যখনৰ মৰ্যাদা আৰু গৌৰৱ বৃদ্ধি কৰাৰ ক্ষেত্ৰতো ইয়াৰ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। বিগত তিনিটা ৰাষ্ট্ৰীয় ক্ৰীড়াৰ সফলতাৰ তুলনা কৰি ৰাজ্যখনে এই প্ৰতিযোগিতাখনৰ জৰিয়তে যাতে জিলিকি উঠিব পাৰে তাৰ বাবে কোনো ধৰণৰ চাপৰ সন্মুখীন নোহোৱাকৈ খেলুৱৈসকলক ক্ৰীড়া নৈপুণ্যতা প্ৰদৰ্শন কৰিবলৈ মুখ্যমন্ত্ৰী ড° শৰ্মাই আহ্বান জনায়। তেওঁ দেশৰ শীৰ্ষ ৫খন ৰাজ্যৰ ভিতৰত অসমৰ স্থান নিশ্চিত কৰাৰ বাবে লক্ষ্য নিৰ্দ্ধাৰণ কৰিবলৈও আহ্বান জনায়।

মুখ্যমন্ত্ৰী ড° শৰ্মাই ৰাজ্যৰ খেলুৱৈসকলক কোনো ধৰণৰ নিষিদ্ধ দ্ৰব্য সেৱন নকৰিবলৈ আহ্বান জনোৱাৰ লগতে অসুস্থতাৰ সময়ত যিকোনো ধৰণৰ ঔষধ গ্ৰহণ কৰাৰ ক্ষেত্ৰত সাৱধানতা অৱলম্বন কৰিবলৈও পৰামৰ্শ আগবঢ়ায়। তেওঁ লগতে খেলৰ সময়ছোৱাত অনুশাসন, সুব্যৱহাৰ আৰু ক্ৰীড়াসুলভ মনোবৃত্তি অক্ষুণ্ণ ৰাখিবলৈ খেলুৱৈসকলক আহ্বান জনায়।

ৰাজ্য চৰকাৰে ক্ৰীড়াৰ উৎকৰ্ষ সাধনৰ বাবে নিৰন্তৰ কাম কৰি অহা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই ক্ৰীড়াৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে বিভিন্ন ধৰণৰ পদক্ষেপ গ্ৰহণ কৰাৰ কথাও অনুষ্ঠানত আলোকপাত কৰে। তেওঁ কয় যে গুৱাহাটী চন্দ্ৰপুৰত এখন নতুন ষ্টেডিয়াম নিৰ্মাণ কৰাৰ লগতে নেহৰু ষ্টেডিয়ামৰ আন্তঃগাঁথনিৰ উন্নয়ন সাধন কৰা হ'ব। ইয়াৰ বাবে হোটেল লেণ্ডমাৰ্কৰ ভূমি অধিগ্ৰহণ প্ৰক্ৰিয়া চলি আছে যাতে ষ্টেডিয়ামৰ বাবে অধিক ভূমি উপলব্ধ হয়। ইয়াৰ উপৰি, যোৰহাট আৰু গুৱাহাটীত দুটা

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

'হাই পাৰ্ফৰ্মেঞ্চ চেণ্টাৰ' স্থাপনৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে যোৰহাট ষ্টেডিয়ামৰ আন্তঃগাঁথনিৰ উন্নয়ন সাধনৰ বাবেও পদক্ষেপ গ্ৰহণ কৰা হৈছে। ৰাজ্যৰ খেলুৱৈসকলক উৎকৃষ্ট সা-সুবিধা প্ৰদান কৰাৰ উদ্দেশ্যেৰে ৰাজ্যিক ক্ৰীড়া নীতিৰ সংশোধন কৰা হ'ব বুলিও তেওঁ কয়।

অসম অলিম্পিক সন্থাই জনোৱা অনুৰোধ মৰ্মে খেলুৱৈসকলক ৰাষ্ট্ৰীয় ক্ৰীড়াত যোগদান কৰাৰ সুবিধাৰ্থে প্ৰথমবাৰৰ বাবে বিমানযোগে ভ্ৰমণ কৰাৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলি অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়। মুখ্যমন্ত্ৰীয়ে খেলুৱৈসকলক অভিনন্দন জনোৱাৰ লগতে শুভেচ্ছাও জ্ঞাপন কৰে। তেওঁ লগতে প্ৰতিযোগীসকলক শুভেচ্ছা জনোৱাৰ অৰ্থে পৰিৱেশন কৰা সদিচ্ছা সংগীতত কণ্ঠদান কৰাৰ বাবে শিল্পী জুবিন গাৰ্গক অভিনন্দন জ্ঞাপন কৰে।

অসম অলিম্পিক সন্থাৰ সাধাৰণ সম্পাদক লক্ষ্য কোঁৱৰে আদৰণি ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত বন্দৰ, জাহাজ আৰু জলপথ দপ্তৰৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু অসম চৰকাৰৰ ক্ৰীড়া বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্য সচিব মণিন্দৰ সিঙেও ভাষণ প্ৰদান কৰে। ক্ৰীড়া বিভাগৰ সঞ্চালক নিবেদন দাস পাটোৱাৰীয়ে অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়ায়। আজিৰ এই অনুষ্ঠানত কেইবাগৰাকী জ্যেষ্ঠ ক্ৰীড়াবিদ, অসম অলিম্পিক সন্থাৰ বিষয়াববীয়া আৰু ক্ৰীড়া বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

**বীঃগঃ / পুঃডেঃ**
**২৩/০৯/২০২২**